# অসমৰ নৃগোষ্ঠীয় উপভাষাৰ চমু পৰিচয়

অসম তথা উত্তৰ পূৰ্বাঞ্চল ভাষাৰ ভূস্বৰ্গ স্বৰূপ। অসমীয়া অসমৰ ৰাজ্য ভাষা আৰু অসমত বসবাস কৰা অধিকাংশ লোকৰেই অসমীয়া হ'ল সংযোগী ভাষা। অসমত অসমীয়া ভাষাৰ বহুকেইটা নৃগোষ্ঠীয় উপভাষা আছে। তাৰ ভিতৰত 'ৰাভামিজ' (ৰাভা-অসমীয়া), 'তিৰামিজ' (তিৰা-অসমীয়া), 'দেউৰীমিজ' (দেউৰী-অসমীয়া), 'আহোমমিজ' (টাই-অসমীয়া), 'মিচিংমিজ আদি' ।

**ৰাভামিজ ভাষাঃ**

ৰাভাসকল প্ৰধানকৈ অসমৰ কামৰূপ, গোৱালপাৰা, শোণিতপুৰ আৰু মেঘালয়ৰ গাৰো পাহাৰত বসবাস কৰি আছে। ৰাভাসকলৰ মাজত ৰংদানি, মায়তৰি, পাতি, বিতলিয়া, দাহৰি, চুংগা, টোটলা আৰু কোচা এই আঠটা ফৈদ আছে। ইয়াৰে ৰংদানি, মায়তৰি আৰু কোচা এই তিনিটা ফৈদৰ মাজত ৰাভা মাতৃভাষা হিচাপে প্ৰচলন থকাৰ বিপৰীতে বাকী কেইটাৰ মাজত অসমীয়া ভাষাৰ প্ৰচলন দেখা যায়।

'ৰাভামিজ' অসমীয়াৰ এটা নৃগোষ্ঠীয় উপভাষা। ৰাভা 'পিজিন' আৰু 'অসমীয়া ক্ৰেওল'-এই দুটা ৰূপত ক্ৰমে ৰাভা ভাষা কোৱা আৰু ৰাভা ভাষা পাহৰা এই দুই ফৈদৰ মাজত ৰাভামিজ প্ৰচলিত। ৰাভামিজৰ মূল ভিত্তি হ'ল অসমীয়া লগতে ইয়াৰ অৰ্বাচীন কথিত আৰু প্ৰাচীন লিখিত ৰূপ। অৱশ্যে, ৰাভামিজৰ ধ্বনিগত, ৰূপগত, শব্দগত, বাক্যগত আদিৰ দিশত ৰাভা ভাষাৰ প্ৰভাৱ বিদ্যমান। বিশেষকৈ ৰাভামিজৰ বাক্যৰ জতুৱা ঠাঁচ, খণ্ডবাক্যৰ গাঁঠনি আদিৰ ক্ষেত্ৰত এনে প্ৰভাব অতি স্পষ্ট। তলত ৰাভামিজৰ মাজত নিহিত হৈ থকা ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দগত আদি বিভিন্ন উপাদানৰ সম্বন্ধে আলোচনা দাঙি ধৰা হ'ল-

**১। ধ্বনিতাত্ত্বিক উপাদানঃ**

(ক) ৰাভা আদি কৰি তিব্বত-বর্মীয় ভাষাত 'অ' ধ্বনিৰ প্ৰয়োগ নাই। সেয়েহে ধাৰ কৰা শব্দৰ ক্ষেত্ৰত অন্ত্য স্থানৰ 'অ' ধ্বনি 'অ'। 'ও' লৈ পৰিবৰ্ত্তন হয়, নহয় লোপ পায়। ৰাভাৰ দৰে ৰাভামিজতো এনে বৈশিষ্ট্য বিদ্যমান। যেনে- ক'ইনা (কইনা), আদ'ৰ (আদৰ), প'লো (পল), আছা (আহাৰ) ইত্যাদি।

(খ) সাধাৰণতে ৰাভা ভাষাত অন্ত্য অবস্থানত থকা 'অ' ধ্বনি প্ৰায়ে 'আ' হয়। ৰাভা ভাষাৰ দৰে ৰাভামিজতো এনে বৈশিষ্ট্য অতি প্ৰকট। যেনে- ৰাজা (ৰজা), পাথাৰ (পথাৰ), সোণা (সোণ), দেহা (দেহ), বেৰা (বেৰ), পুৰানা (পুৰণি) ইত্যাদি।

(গ) শব্দত ওচৰা-ওচৰিকৈ দুটা 'আ' ধ্বনিৰ প্ৰয়োগ ৰাভা ভাষাৰ দৰে ৰাভামিজৰ আন এক বৈশিষ্ট্য। (কামৰূপী ভাষাতো এনে ধৰণৰ প্ৰয়োগ আছে। মান্য অসমীয়াত আকৌ এনে পৰিস্থিতিত 'আ'-এ হয়) যেনে- চাকা (চকা), ৰাজা (ৰজা), পাথাৰ (পথাৰ), কালা (ক'লা), ৰাঙা (ৰঙা), তাৰা (তৰা) ইত্যাদি।

(ঘ) ৰাভা ভাষাৰ দৰে ৰাভামিজত কণ্ঠ্য সঘোষ মহাপ্ৰাণ ধ্বনি 'হ' (h)ৰ ঠাইত কণ্ঠ্য অঘোষ মহাপ্ৰাণ ধ্বনি 'হ' (h)ৰ প্ৰয়োগ আছে। সেয়েহে দুয়োটা ভাষাতে স্বৰান্ত 'অ' যুক্ত 'হ' অক্ষৰৰ লোপ পায়, নহয় 'হা' (ha) হিচাপে উচ্চাৰিত হয়। যেনে- মছা (মহ), মাহ (মা/মাছ), বাৰা (বৰা/বৰাহ), চাহা (চাহ) ইত্যাদি।

(ঙ) ৰাভা ভাষাৰ দৰে ৰাভামিজতো শব্দৰ অন্ত্য অবস্থানত 'জ' (dz) ধ্বনিৰ প্ৰয়োগ নাই। সেইদৰে অন্ত্য অৱস্থানত সঘোষ মহাপ্ৰাণ ধ্বনি 'ঘ', 'ধ', 'ভ' ৰ ঠাইত প্ৰায়ে অল্পপ্ৰাণ 'গ', 'দ', 'ব' বহে। যেনে- মাগ মাছ (মাঘ মাহ), বুদবাৰ (বুধবাৰ, লাব (লাভ) ইত্যাদি।অসমৰ জনগোষ্ঠীয় মূলৰ নৃগোষ্ঠীয় উপভাষা

(চ) ৰাভামিজত মান্য অসমীয়া ভাষাৰ 'এ' ধ্বনিৰ প্ৰয়োগ নাই। সেয়েহে ৰাভামিজত এ' > ই হয়। সেইদৰে দন্ত্য মূৰ্ধন্য ধ্বনিৰ পৰিবৰ্তে দন্ত্যমূলীয়, অনুনাসিক চন্দ্ৰ বিন্দু (")-ৰ ঠাইত নাসিকা ৰূপে উচ্চাৰিত হয়। তদুপৰি 'ঢ়া 'ড' পৰিৱৰ্তে 'ব', 'ঋ'-ৰ পৰিৱৰ্তে 'বি' ধ্বনি প্ৰয়োগ হয়। যেনে-ছিন্দুৰ (সিন্দুৰ), আঞ্চল (আঁচল), গাৰি (গাড়ী), কিবপিন (কৃপন), বুৰা (বুঢ়া) ইত্যাদি।

**২। ৰূপতাত্ত্বিক উপাদানঃ**

(ক) দ্বিৰুক্তিবাচক শব্দৰ প্ৰয়োগ ৰাভামিজ ভাষাৰ আন এক বিশেষত্ব। ৰাভামিজত প্ৰয়োগ হোৱা কেতবোৰ দ্বিৰুক্তিবাচক শব্দ হ'ল- বগা ফলফলা (ধকধকীয়া বগা), বাঙা টকটক (টিস্টিকীয়া ৰঙা), কালা কিটকিটা (কিচকিচীয়া ক'লা), ছেল-ছেলা ( নিশকতীয়া), উপাক পাক (আগ গুৰি নোহোৱা কথা), লেতেতেৰ-পেতেতেৰ (অতি লেতেৰা), হাবা জেং জেঙা (হাড়ে ছালে লগা), চিক-চিকা (চিকচিকীয়া), খাটাং-টাং (অতি চুটি) ইত্যাদি।

(খ) ভাষাৰ তির্যক ৰূপ সকলো ভাষাৰে এক গুৰুত্বপূর্ণ বিষয় যদিও বাভামিজত এনে তির্যক ৰূপৰ ব্যৱহাৰ অতি সীমিত।

(গ) ৰাভাৰ দৰে ৰাভামিজতো তৃতীয় পুৰুষত প্রয়োগ হোৱা নির্দিষ্টতাবাচক একমাত্র সম্বন্ধ পদ ব্রা। বাৰা প্রত্যয়ৰ প্রয়োগ আছে। বিশেষকৈ দুধনৈৰ পশ্চিম অঞ্চলত থকা পাতিৰাভাসকলৰ ৰাভামিজত এনে প্রত্যয়ৰ প্রয়োগ লক্ষ্য কৰা যায়। যেনে- দাদাবাৰা (ককায়েক), ভাইবাৰা (ভায়েক), বুইনিবাৰা (ভনীয়েক)।

(ঘ) ৰাভা ভাষাৰ দৰে ৰাভামিজতো কৃৎ আৰু তদ্ধিত প্রত্যয়ৰ সংখ্যা অতি তাকৰ। ৰাভামিজত বহুলভাবে প্রয়োগ হোৱা এনে প্রত্যয়কেইটা হ'ল-আনি, আৰু,-ঈয়া আৰু-উৰা প্রত্যয়। যেনে- ঘৰঘেৰাণি (মাঘ বিহুৰ উৰুকাত গৃহস্থৰ সকলোবিলাক
ঘৰ ঘেৰ দিয়া পর্ব)ঃ ঘৰঘেৰ-আনি বুনুৱা (বনৰীয়া): বুন + উৱা
হালুৱা (হালোৱা): হাল উৱা,
মদাৰু (মদপী): মদ + আৰু
ঠগাৰু (ঠগ): ঠগ আৰু ইত্যাদি।

(ঙ) '-লা', 'কা' আদি স্বার্থিক প্রত্যয়ৰ সংযোগত বিভিন্ন ক্রিয়া বিশেষণ পদৰ গঠন বাভামিজৰ অন্যতম বৈশিষ্ট্য। যেনে- এলা (এতিয়া), তেলা (তেতিয়া), যেলা (যেতিয়া), নাইকা (নাইকিয়া) ইত্যাদি।

(চ) বাভামিজত কোনো ব্যক্তি-বিশেষক সম্বোধনৰ ক্ষেত্রত পুৰুষ-নাৰী ভেদে 'হে', 'হেব', 'হাব', 'ৰে' আদি প্রত্যয়ৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। যেনে- আইহে। বাবাহে, বাইৰে । দাদাৰে আদি।

**৩। শব্দগত উপাদানঃ**

দেশী বা আর্যভিন্ন ভাষাৰ শব্দৰ প্রয়োগ ৰাভামিজৰ অন্যতম বৈশিষ্ট্য। ইয়াবে বেছি সংখ্যকেই ৰাভাদি তীব্রতবর্মী ভাষাৰ সৈতে সাদৃশ্য আছে। শব্দগত উপাদানসমূহক আমি এনেদৰে আলোচনা কৰিব পাৰোঁ-

(ক) সম্বন্ধবাচক শব্দ: সম্বন্ধবাচক শব্দ প্রয়োগৰ ক্ষেত্রত ৰাভা ভাষাৰ সৈতে প্রায় একে। বাভামিজত ব্যবহৃত সম্বন্ধবাচক শব্দসমূহ হ'ল-আতা, আবু, আই, বাবা (আফা), আপা, আপী,

ছোংগ্রা (তাবৈয়েক), ছোংগ্রী (আমৈয়েক), বাই (বিবি), দাদা, দহো (দেওৰেকৰ ঘৈণীয়েক বা নন্দেকেৰ গিৰীয়েক) ইত্যাদি।

(খ) খাদ্য, সাজপাৰ সম্বন্ধীয় শব্দ: জিমটেঙা (খৰিচা), ডিঙোবা (চুঙা পিঠা), ভর্তা (পিটিকা), মাৰিভাত, ঝকৰাভাত, ছাংকা (শাক), পোংনা (ভাপত সিজোৱা পিঠা), ডিঙোৱা (চঙা পিঠা) ইত্যাদি।

(গ) জীৱ-জন্তু সম্পর্কীয় শব্দ: ছগৰা (হৰিণ), জহামাল, হাপা, ভালিঙা (শব), কুৱাং (ৰাংকুকুৰ), লক্রা (কুকুৰনেচীয়া), ঘোং, মাছৰেঙা। মাছেলেক), ফেচুলুকা, চকেয়া (টোকোৰা), ছাৰুক (শালিকা), কানকুৰিকা, ডাউকি, প্রায়পক বা পায়পুৰিকি (বুলবুলি), মকৰা ইত্যাদি।

(ঘ) মাছ-কাছ সম্বন্ধীয় শব্দঃ নিচলা, কুকুলা, চেংভা, পোংনা (পোনা), টেংনা (শিঙৰা), মন্ডা (মোৱা), টাকি (গৰৈ), ফৈলা (কান্দুলী) ইত্যাদি।

(ঙ) খাদ্য সম্বন্ধীয় শব্দ: আমছিংৰি (টেঙেচি টেঙা), ঢেকীয়া, বিথুৱা (জিলমিল), জিমটেঙা (খৰিচা), পোংনা (ভাপত সিজোৱা পিঠা, ভর্তা (পিটিকা), ছুৱা দিয়া (পোৰা), ঝুগলী (এবিধ মদ), ছাংকা (শাক), ডিঙোৱা (চুঙা পিঠা), মাৰিভাত, আওতা (থপথপীয়াকৈ বন্ধা আঞ্জা), বাকৰা ভাত, খোলাত দিয়া আদি।

(চ) অন্যান্য শব্দঃ ছাম (উবাল), কেখা (নেওঠনী), খোলায় (খালৈ), জাখা (জাকৈ), গাৰি (টোলোঠা), চেপা, ডিঙবি, নঙলা বা নঙল কিলাকুটি, নুনু (স্তন), গন্দুল (গবাল), দামল (গড়-খাৰৈ), টাঙোন, জাখলা, জোং, বোথোলা (কুহিলা) ইত্যাদি।

(ছ) জতুবা ঠাচ-খণ্ডবাক্যঃ পুং-স্ত্রী লিংগ ভেদে ব্যৱহাৰ হোৱা সাধিত বিশেষণৰ উপস্থিতি ৰাভামিজৰ অন্যতম বিশেষত্ব। যেনে-খাবা নাপুৱা-খাবা নাপাইতী (ভোকাতুৰ), নাককাটা-নাককাটী (ডাংকাটী), তামিলা-তামিলী (পৰিপাটিকৈ থকা ব্যক্তি), বাখিনা-বাখিনী (বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী), তিৰী ভাৰুৱা (তিৰোতা হেৰুৱা), স্কুল-ছুলী (লচপচী, তিৰীমুৱা বা ঝোৱামুখীয়া (তিৰোতা সুলভ আচৰণ কৰা), বিয়াতা ভাতাৰ (চপনীয়া চপা), কাণ থাৰেঙা (শহাকণীয়া)), মনে চিতে নিমিলা (অপছন্দ), বান্দৰ ঠগ দি (ব্রহ্মা ঠগ দি), বাঙা টক টক (তেজৰঙা), বনত পুৰিয়া মৰ (যৌৱন বিনিষ্ট হ), বেং সারটাদি (গবা মাৰি ধৰ), পকা দুপৰ (ভৰ দুপৰীয়া), মামাৰ বেটী কালাই শাক (ৰাহি যোৰা) ইত্যাদি।

*******